# ৰাখে হৰি মাৰে কোনে

শ্ৰী ৰবীন চন্দ্ৰ ৰাভা
সঃ শিক্ষক, অসম মাতৃ মজলীয়া বিদ্যালয়,
বৰদুৱাৰ বাগান।

অকুমণিহঁতৰ ঘৰলৈ এদিন
আহিল দুজন আলহী
মাক দেউতাকে ভাবিলে আলহীক
মাংসৰে এসাজ খুৱাব আজি।
ঘৰতে আছিল হাঁহ-কুকুৰা পাৰ
আৰু কেইটামান ছাগলী,
আলহীৰ জোখেৰে কোন বিধ মাৰে
ভালকৈ চালে ভাবি।
সেই সময়ত পাৰ পাৰোৱানী হাল
বাৰান্দাতে আছিল সকলো শুনি,
মৃত্যুৰ পৰা ৰক্ষা পাবলৈ দুয়ো
কৃষ্ণনাম কৰিলে স্তুতি।
অকুমনিৰ দেউতাকে প্ৰথমে ভাবিলে
মুৰ্গী মৰাৰ কথা,
সেয়েহে লাঠি এডাললৈ বিচাৰি ফুৰিলে
ৰঙা ডেকেৰুৱা এটা।
ৰঙা ডেকেৰুৱাই জনালে সকলোকে চিঞৰি চিঞৰি
সাৰধান ঐ, সাৰধান ঐ বুলি,
আলহী আহিছে কাক মাৰে ঠিক নাই
পাবিগৈ যমপুৰী।
বাকীবোৰেও সুধিলে টেটুফালি টেটুফালি
ক'ত ক'ত, ক'ত ঐ বুলি,
অকুমনিৰ দেউতাকক লাঠি লোৱা দেখি
সকলো পলাল দিহা-দিহি।
সেই সময়ত হাঁহবোৰ আছিল
গড়ালত মেল পাতি,
অকুমনিৰ দেউতাকক লাঠি লোৱা দেখি
ভয়তে লুকাল হাত ভৰি।
মতা হাঁহটোৱে বাকীবোৰক ক'লে ফুচ ফুচাই
কোনো গণ্ডগল নকৰিবি ভাই,
আলহী আহিছে ডিঙি মুছৰিব
ভাজি পুৰি পেলাব খাই
পিছে অকুমনিৰ দেউতাকে নামাৰিল হাঁহ
চকু ফুৰাই গল গুচি,
তাকে দেখি আনন্দতে হাঁহবোৰে
হাঁহিলে হাঁ-হাঁ-হাঁ-হাঁ বুলি।
সেই সময়ত ছাগলিবোৰ আছিল ঘাঁহ পাগুলী পাগুলী
দাড়িয়া ছাগলীটোই ক'লে হাঁহি হাঁহি,
আমাক নামাৰে মাংস ৰব
গৃহস্থৰ হব ক্ষতি।
অকুমনিৰ দেউতাকে শেষত ভাবিলে
আছে পাৰ পাৰোৱানী হাল,
আলহীৰ জোখাৰে ঠিক মিলিব
সিহঁতক মৰাই ভাল
তাকে দেখি পাৰ পাৰোৱানী হালে
বুদ্ধি উলিয়ালে পাণ্ডি,
জ্বৰ উঠা ভাও জুৰি কান্দিব ধৰিলে
উস্ হুহ হুহ উস্ হুহ হুহ বুলি।
পাৰ পাৰোৱানী হালৰ জ্বৰ উঠা দেখি
নামাৰিলে আলহীৰ বাবে,
উপায় নাপাই অকুৰ দেউতাকে
মাংস খুওৱা বাদ দিলে।
নহ'ল মৰা হাঁহ কুকুৰা পাৰ
আৰু দাড়িয়া ছাগলী,
মাংসৰ সলনি খুৱালে আলহীক
ডাইল আলু ভাজি।
ইয়াকে কয় বিধিৰ বিধান
কোনে খন্দাব পাৰে,
ঈশ্বৰে মাৰিলে ৰাখিব কোনে ?
ৰাখিলে হৰিয়ে মাৰিব কোনে।

Scanned by CamScanner